بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খন্দকৰ যুদ্ধৰ পৰিঘটনাত আঁহজৰত (ছাঃ)ৰ জীৱন পৰিক্ৰমা সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ চেপ্তেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আহযাবৰ যুদ্ধ সম্পৰ্কে যোৱা জুমাৰ খোতবাত বৰ্ণনা কৰা হৈছিল। তাতে উল্লেখ কৰা হৈছে যে কেনেকৈ খয়বৰৰ ইহুদী সকলৰ চুক্তি উলঙ্গন আৰু হিংসাৰ কাৰণে কাফিৰ সকলৰ এটা বিশাল সৈন্য বাহিনী গঠন আৰু মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাই এওঁলোকক নিঃশেষ কৰাৰ পৰিকল্পনা লোৱা হৈছিল। এই বিষয়ে বিতং ব্যাখ্যা ইতিহাসত এনেদৰে পোৱা যায় যে ৰছুলুল্লাহ (ছাঃ)য়ে ছুলায়েত আৰু ছুফিয়ান বিন অউফ আছলামিক কাফিৰ বাহিনীৰ খবৰ ল'বলৈ পঠিয়ায়; এওঁলোক দুজনে গৈ পোৱাৰ লগে লগে কাফিৰ সকলে এওঁলোকৰ ওপৰত আক্ৰমন চলাই দুয়োকে শ্বহীদ কৰি পেলায়। যেতিয়া নলা খন্দোৱাৰ সিদ্ধান্ত লোৱা হয় তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে অশ্বত আৰোহণ কৰে আৰু লগতে কেইবাজন মুহাজেৰিণ আৰু আনছাৰক লৈ সৈন্যৰ ছাউনী পতাৰ ঠাই বিচাৰি ওলায় আৰু মুছলমান সকলে গৈ বনু কুৰাইজাৰ পৰা মাটি খন্দা সঁজুলি যেনে, কোৰ, খন্দি, বেলছা, ইত্যাদি ধাৰে লৈ আনে। ৰছুলুল্লাহ (ছাঃ)য়ে এই নলাটো খন্দাৰ কামত দায়িত্ব এটা সম্প্ৰদায়ৰ ওপৰত জাপি দিয়ে যদিও ৰছুলুল্লাহ (ছাঃ) নিজেই সেই কামত অংশ গ্ৰহণ কৰিছিল। এনেকি নিজে মাটি কঢ়িয়াই লৈ যাওঁতে নিজৰ পিঠি, পেট আদি লেতেৰা হৈ গৈছিল। যেতিয়া মুছলমান সকলৰ নিজৰ ফালৰ কাম শেষ হৈছিল তেওঁলোকে গৈ বেলেগক সহায় কৰি দিছিল। এনেদৰে মিলিজুলি নলা খান্দোৱাৰ কাম সম্পন্ন কৰে। এই খনন কাৰ্যত কোনো মুছলমানেই ভাগ ল'বলৈ বাকী থকা নাছিল। হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া মাটি ভৰাই নিবলৈ টুকুৰি পোৱা নাছিল তেতিয়া খৰধৰ কৰি নিজৰ কাপোৰেৰে মাটি মেৰিয়াই নিয়া কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে কাফিৰ সকলৰ ইমান ডাঙৰ সৈন্য বাহিনীৰ

কাৰুকাৰ্য মুছলমান সকলৰ কৰ্ম গোচৰ নোহোৱাকৈ ৰখাটো অসম্ভৱ হৈ পৰিছিল আৰু ইফালে আঁহজৰত (ছাঃ)ৰ গুপ্তচৰ বিভাগ বৰ দক্ষ আৰু পাৰ্গত আছিল। তেতিয়াও কুৰাইছৰ সৈন্য মক্কাৰ পৰা যাত্ৰাই কৰা নাছিল, ইফালে আঁহজৰত (ছাঃ)য়ে সিহঁতৰ সকলো যো-জা সম্পৰ্কে অৱগত হৈ গৈছিল। যাৰ পৰিপেক্ষিতত এখেত (ছাঃ)য়ে সময়মতে চাহাবা সকলকলৈ পৰামৰ্শ কৰিব পাৰিছিল। এনে পৰামৰ্শৰ বৈঠকত ইৰাণৰ এজন মুখলিচ চাহাবী হজৰত ছলমান ফাৰ্চী উপস্থিত আছিল। তেখেত (ৰাঃ)য়ে আৰবৰ বাহিৰত সংঘটিত হোৱা যুদ্ধ সম্পৰ্কে অৱগত আছিল। তেখেত (ৰাঃ)য়ে এয়া পৰামৰ্শ দিছিল যে মদিনাৰ অসংৰক্ষিত ঠাইখিনিৰ আগেদি এটা দীঘল আৰু বহল নলা খান্দি দি মদিনা চহৰ খন নিৰাপদ কৰি লোৱা যাওঁক। আঁহজৰত (ছাঃ)য়ে উক্ত পৰামৰ্শ গ্ৰহণ কৰি লয়। যিয়েই নহওঁক মদিনা চহৰখন তিনিটা ফালৰ পৰা নিৰাপদ আছিল আৰু কেৱল ছিৰিয়াৰ ফালে এনেকুৱা আছিল যে সেই ফালেদি শত্ৰু সুমাই আহি মদিনাৰ ওপৰত আক্ৰমণ চলাব পাৰে। সেয়ে আঁহজৰত (ছাঃ)য়ে সেই অনিৰাপদ ঠাইখিনিৰ বাট বন্ধ কৰিবলৈ দীঘলীয়া এটা নলা খন্দোৱাৰ আদেশ দিছিল। এনেদৰে নিজৰ পৰিচালনাত ৰাখি সেই ঠাইখিনি পোন্ধৰ ফিট,পোন্ধৰ ফিটকৈ ভাগ কৰি এক এক ভাগ দহজনকৈ চাহাবাৰ গ্ৰুপক নলা খন্দাৰ দায়িত্ব দিছিল। এই গ্ৰুপ বনোৱাৰ সময়ত ছলমান ফাৰ্চী (ৰাঃ) কোন গ্ৰুপত থাকিব, এই কথাখিনি লৈ টনা আজোৰা হয় কাৰণ তেখেত (ৰাঃ) মুহাজিৰৰ গ্ৰুপত থাকিব নে আনছাৰ সকলৰ গ্ৰুপত থাকিব। এখেত (ৰাঃ) ইছলামৰ আগমনৰ আগতেই মদিনাত আহিছিল। অৱশেষত এই মতানৈক্য আঁহজৰত (ছাঃ)ৰ কান পায়গৈ। তেখেত (ছাঃ)য়ে মিচিকিয়াই কয় যে ছলমান (ৰাঃ) দুয়োজনৰ মাজত কোনো দলৰেই নহয় বৰং ছালমানু মিন্না আহলাল বায়াত। মোৰ পৰিয়ালৰ অন্তৰ্ভুক্ত বুলি গণ্য কৰা যাওঁক। সেই সময়ৰ পৰা হজৰত ছলমান (ৰাঃ)য়ে এই মৰ্যাদা লাভ কৰে যে তেখেতক আঁহজৰত (ছাঃ)ৰ ঘৰৰ লোক বুলি গণ্য কৰিবলৈ লোৱা হয়।

নলা খন্দাৰ সিদ্ধান্ত লোৱাৰ পিছত চাহাবা সকলে শ্ৰমিকৰ পোছাক পিন্ধি কৰ্মসুলী আহি যায়। এই মাটি খন্দাৰ কাম কোনো সহজ কাম নাছিল আৰু সময় আছিল শীতকাল, যাৰ ফলত কাম কৰিবলৈ চাহাবা সকলৰ বৰ কষ্ট হৈছিল। আনহাতে সকলোৰে ব্যৱসায় বাণিজ্য বন্ধ হৈ পৰে, সেয়ে এই দিনকেইটাত খাদ্যৰও অভাৱত পৰি গৈছিল। চাহাবা সকলৰ ওচৰত কোনো চাকৰ বাকৰ নাছিল। গতিকে সকলো চাহাবাই নিজ হাতেৰে কাম কৰিব লগা হৈছিল। আঁহজৰত (ছাঃ)য়েও নিজৰ বেছিভাগ সময় সেই খনন কাৰ্যৰ ওচৰেদি কটাইছিল আৰু নিজেও চাহাবা সকলৰ লগত মিলি কাম কৰিছিল, আৰু সকলোকে কামত প্ৰেৰণা যোগাবলৈ মাজে মাজে কবিতা পাঠ কৰি শুনাইছিল আৰু চাহাবা সকলেও মাজে মাজে সেই কবিতাৰ প্ৰত্যুত্তৰত কবিতা গাই শুনাইছিল।

নলা খান্দি থকাৰ সময়ত তেখেত (ছাঃ)ৰ যোগদান আৰু দোৱাৰ বৰকতত চাহাবা সকলে নিজৰ চিন্তা আৰু পৰিশ্ৰম পাহৰি গৈছিল, য'ত এফালে পৱিত্ৰ কবিতা গোৱা হৈছিল তাতে আকৌ মাজে মাজে সৰু সৰু কৌতুক শুনোৱা হৈছিল। চাহাবা সকলৰ দিনে ৰাতিৰ পৰিশ্ৰম আৰু হুজুৰ (ছাঃ)ৰ দোৱাৰ বৰকতে নলা খন্দাৰ কাম সম্পূৰ্ণ হৈছিল। এই নলাৰ কাম সম্পূৰ্ণ হওঁতে কিমান দিন লাগিছিল এই সম্পৰ্কে বিভিন্ন ৰিৱায়ত আছিল। পোন্ধৰ দিন আৰু এমাহৰ ৰিৱায়ত বেছি নিৰ্ভৰযোগ্য। এই নলাৰ দৈৰ্ঘ প্ৰায় ছয় হাজাৰ গজ, অথবা 3½ মাইল আছিল। বহল আছিল প্ৰায় তেৰ, চৈধ্য ফিট, গভীৰতা প্ৰায় দহ এঘাৰ ফিট আছিল। এই নলাটো প্ৰায় এশ বছৰলৈ অৱস্থিত আছিল। আঁহজৰত (ছাঃ)ৰ সহধৰ্মীনি সকলেও এই বিপদৰ সময়ত তেখেত (ছাঃ)ৰ লগত নলাৰ কাষত যোৱা পৰিলক্ষিত হৈছিল, কেতিয়াবা গৈছিল হজৰত আয়শা (ৰাঃ), কেতিয়াবা আকৌ হজৰত উম্মে ছালমা (ৰাঃ), নাইবা হজৰত জয়নব (ৰাঃ)য়েও আঁহজৰত (ছাঃ)ৰ লগত গৈছিল।

খনন কাৰ্য চলি থকা অৱস্থাত মাজতে এটা পাথৰ ওলোৱাত অসুবিধা সৃষ্টি হয়। সেই পাথৰ ভঙাৰও এটা ঘটনা বৰ্ণনা কৰিছে। এটা ৰিয়াতত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে অলপ পানী লৈ অনাই তাতে নিজৰ

মুখৰ লেলাউটি মিলাই আল্লাহ তা'লাৰ ওচৰত দোৱা কৰি সেই পানী পাথৰটোৰ ওপৰত আৰু পাথৰ সদৃশ মাটিৰ ওপৰত ছটিয়াই দিয়ে যাৰ ফলত মাটি কোমল হৈ যায় অৰ্থাৎ বোকাৰ দৰে হৈ যায়। আন এঠাইত উল্লেখ আছে যে হজৰত ছলমান ফাৰ্চীৰ আগত এনেকুৱা কঠিন পাথৰৰ মাটি পৰিছিল যে তেখেত (ৰাঃ)য়ে সেয়া ভাঙিব পৰা নাছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে ছলমান (ৰাঃ)ৰ পৰা কোৰ লৈ আনি তাতে কোব মাৰে আৰু তিনিটা সুসংবাদ শুনিবলৈ পায়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)যে লিখিছে যে অভাৱ অনাটন আৰু অতি কষ্টৰ মাজেৰে চাহাবা সকলে নলা খান্দি থকা অৱস্থাত এঠাইত গৈ পাথৰ ওলাই খন্দাৰ কামত বাধাৰ সৃষ্টি কৰে, যিটো কোনো মতেই ভাঙিব পৰা নাছিল। অৱশেষত ক্লান্ত হৈ চাহাবা সকলে কথাটো আঁহজৰত (ছাঃ)ক জনায় যে এটা পাথৰে নলা খন্দাত অসুবিধাৰ সৃষ্টি কৰিছে, যিটো আমি ভাঙিব পৰা নাই। আঁহজৰত (ছাঃ)য়ে তৎক্ষণাত তালৈ যায় আৰু এটা কোৰ হাতত লৈ আল্লাহৰ নামলৈ সেই পাথৰটোৰ ওপৰত কোৰ মাৰি দিয়ে প্ৰচণ্ড কোৰৰ আঘাতত পাথৰৰ পৰা ফিৰিঙতি ওলায় আৰু তেখেত (ছাঃ)য়ে উচ্চস্বৰে আল্লাহু আকবাৰ উচ্চাৰণ কৰে আৰু কয় যে মোক স্বামৰ চাবি কাঠি দিয়া হৈছে আৰু খোদাৰ খছম ! তেতিয়া মোক স্বামৰ ৰক্ষা মহলবোৰ দেখুৱা হৈছে। সেই কোৰৰ আঘাতত পাথৰটো সামান্য পৰিমাণে ফাট মেলে। দ্বিতীয়বাৰ তেখেত (ছাঃ)য়ে আকৌ আল্লাহৰ নাম লৈ কোৰ চলায় সেইবাৰও ফিৰিঙতি ওলায় আৰু তেখেত (ছাঃ)য়ে আকৌ আল্লাহু আকবাৰ কয় আৰু উল্লেখ কৰে যে এইবাৰ মোক ইৰাণৰ চাবি-কাঠি দিয়া হৈছে আৰু ইৰাণৰ বগা মহলবোৰ দেখুৱা হৈছে। এইবাৰৰ আঘাতত পাথৰটো আৰু অলপ বহলকৈ ফাট মেলে। তৃতীয়বাৰ তেখেত (ছাঃ)য়ে আকৌ সেই পাথৰৰ ওপৰত কোৰ মাৰে যাৰ ফলত আকৌ ফিৰিঙতি ওলায় আৰু তেখেত (ছাঃ)য়ে আকৌ আল্লাহু আকবাৰ উচ্চাৰণ কৰে আৰু কয় যে এইবাৰ মোক ইয়ামিনৰ চাবি কাঠি দিয়া হৈছে আৰু খোদা তা'লাৰ খছম ! মোক কাৰখানাৰ দুৱাৰবোৰ দেখুৱা হৈছে। এইবাৰ সেই পাথৰটো ভাঙি সেই ঠাইৰ পৰা বাগৰি পৰে। আঁহজৰত (ছাঃ)ৰ এই দৰ্শন কাশফ সদৃশ আছিল। সম্ভৱত এই কঠিন দুৰাৱস্থাৰ সময়ত আল্লাহ তা'লা আঁহজৰত (ছাঃ)ক মুছলমান সকলৰ ভৱিষ্যত বিজয় আৰু স্বচ্ছলতাৰ দৃশ্য দেখুৱাই চাহাবা সকলৰ আশাৰ বতৰাত প্ৰেৰণা যোগাইছিল। মদিনাৰ মুনাফিক সকলে এইবোৰ প্ৰতিশ্ৰুতিৰ কথা শুনি মুছলমান সকললৈ বিদ্ৰূপ কৰিছিল যে ঘৰৰ বাহিৰত খোজ দিয়াৰ শক্তি নাই, এওঁলোকে ক্যায়ছৰ আৰু কিছৰাৰ সাম্ৰাজ্যৰ সপোন দেখি আছে। কিন্তু খোদা তা'লাৰ এই প্ৰতিশ্ৰুতি সময়ত গৈ অৰ্থাৎ কিছুমান আঁহজৰত (ছাঃ)ৰ জীৱদশাতেই আৰু বেছি ভাগ তেখেত (ছাঃ)ৰ খলিফা সকলৰ সময়ত পূৰ্ণ হৈ মুছলমান সকলৰ স্বাধীনতা আৰু ঈমান আৰু প্ৰশান্তি কাৰক হৈ পৰে।

এই খনন কাৰ্য চলাৰ সময়ত এটা ভোজনৰ মজিজাও প্ৰকাশ পাইছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ঘটনা এনেদৰে বৰ্ণনা কৰিছে যে সেই সময়ত এজন মুখলিচ চাহাবী হজৰত জাবেৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক ভোকৰ মাৰত দুৰ্বল হৈ পৰা দেখি এখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ)ৰ পৰা নিজৰ ঘৰলৈ বুলি যোৱাৰ অনুমতি লয় আৰু ঘৰত আহি নিজৰ ঘৈনীয়েকক কয় যে তোমাৰ ওচৰত কিবা খোৱা বস্তু আছে নে ? তাই উত্তৰত কৈছিল হয় আছে। সামান্য পৰিমাণে আটা আৰু এটা সৰু ছাগলী আছে। হজৰত জাবেৰ (ৰাঃ)য়ে সেই ছাগলীটো জবাই কৰি দিয়ে আৰু আটা মাৰি দি ঘৈনীয়েকক কয় যে তুমি এতিয়া এইবোৰ ৰান্ধি খোৱাৰ বাবে সাজু কৰা, মই গৈ ৰছুলুল্লাহ (ছাঃ)ক নিমন্ত্ৰণ জনাওঁ। তেতিয়া হজৰত জাবেৰ (ৰাঃ)ৰ পত্নীয়ে কৈছিল যে চোৱা খাদ্যৰ পৰিমাণ নিচেই কম, মোক কিন্তু লাজ নিদিবা, ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে যেন বেছি মানুহ নাহে। তেতিয়া হজৰত জাবেৰ (ৰাঃ)য়ে গৈ মনে মনে আঁহজৰত (ছাঃ)ক আবেদন জনায় যে ইয়া ৰছুলুল্লাহ ! আপুনি কেইজনমান চাহাবাক লগত লৈ মোৰ ঘৰলৈ বলক আৰু অলপ ভোজনৰ ব্যৱস্থা কৰা হৈছে, খাই আহঁক। তেখেত (ছাঃ)য়ে সুধিছিল খাদ্যৰ পৰিমাণ কিমানখিনি ? হজৰত জাবেৰ (ৰাঃ)য়ে হাতেৰে খাদ্যৰ

পৰিমাণৰ ইংগিত দিছিল যে ইমান খিনি হ’ব। তেখেত (ছাঃ)য়ে কৈছিল ঠিক আছে বহুত আছে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে নিজৰ ইফালে সিফালে চাই উচ্চস্বৰে কৈছিল হে আনছাৰ আৰু মুহাজিৰ সকলৰ জামাত ! বলা, জাবেৰ আমাক নিমন্ত্ৰণ দিছে এই নিমন্ত্ৰণত প্ৰায় এহেজাৰ ভুকাতুৰ চাহাবী আঁহজৰত (ছাঃ)ৰ লগত জাবেৰ (ৰাঃ)ৰ ঘৰলৈ বুলি ৰওনা দিয়ে। তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত জাবেৰ (ৰাঃ)ক কয় যে তুমি অতি সোনকালে ঘৰলৈ যোৱা আৰু ঘৈনীয়েকক কোৱা যে যেতিয়ালৈকে মই নাযাও চৰু যেন আখলাৰ পৰা ননমায়। আৰু ৰুটি বনাবলৈ যেন আৰম্ভ নকৰে। হজৰত জাবেৰ (ৰাঃ)য়ে অতি সোনকালে ঘৰত গৈ ঘৈনীয়েকক এই খবৰটো জনায় তেতিয়া তাই বৰ ভয় পায় যে এতিয়া কেনেকৈ কি হ’ব! আঁহজৰত (ছাঃ) য়ে গৈ বৰ শান্ত ভাৱে সেই চৰু আৰু আটাৰ পাত্ৰ খনৰ ওপৰত দোৱা কৰে আৰু কয় যে এতিয়া ৰুটি বনাবলৈ আৰম্ভ কৰা। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে লাহে লাহে খাদ্য বিতৰণ কৰিবলৈ আৰম্ভ কৰে। হজৰত জাবেৰ (ৰাঃ)য়ে কৈছে যে মোক সেই সত্তাৰ কছম ! যাৰ হাতৰ মুঠিত মোৰ প্ৰাণ, সেই সামান্য খাদ্যৰ পৰাই সকলোৱে পেট ভৰাই খাই উঠি গৈছিল আৰু তেতিয়াও আমাৰ চৰুত মাংস উতলি আছিল আৰু ৰুটি তেনেদৰেই বনাই গৈ আছিল। খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আহযাবৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা ইনশা আল্লাহ আগলৈ চলি থাকিব। দোৱাৰ ফালে মই সকলোৰে মনোযোগ আকৰ্ষণ কৰিছোঁ। আপোনালোকে এই ফালে বাৰুকৈয়ে মনোযোগ দিব। আল্লাহ তা’লা আমাৰ ঈমান মজবুত কৰক। প্ৰত্যেক ঠাইতে দেশত বসবাস কৰা আহমদী সকল, বাংলাদেশ, পাকিস্তান আদি সকলোতে আহমদী সকলক আল্লাহ তা’লা বিপদ-আপদৰ পৰা নিৰাপদ ৰাখক। বৰ্তমান বিশ্বখন যি অগ্নি গৰ্ভলৈ ঢাপলি মেলিছে আৰু বেগেৰে তালৈ যোৱাৰ চেষ্টা চলাইছে, এই সমস্যাৰ পৰা আল্লাহ তা’লা বিশ্বখনক ৰক্ষা কৰক। আল্লাহ তা’লা দয়া আৰু কৃপা বৰ্ষণ কৰক। আল্লাহ তা’লা সকলো শক্তিৰ গৰাকী। যদি এতিয়াও এইলোক সকলে সংশোধনৰ ফালে আগবাঢ়ি আহে তেন্তে আল্লাহ তা’লা সিহঁতক বিপদৰ পৰা ৰক্ষা কৰিব পাৰে। আল্লাহ তা’লা কৰক সিহঁতৰ মাজত যেন প্ৰজ্ঞাৰ জন্ম হয় বিবেক আৰু বোধ শক্তিয়ে জন্ম লাভ কৰে। (আমীন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْىِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 13 SEP 2024**

# BOOK POST (PRINTED MATTER)

TO,

................................................................................................................................

................................................................................................................................

................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা